# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 16-08-2017
Time : 1845 Hrs

## Assamese Evening Bulletin
## HEADLINES

১। রাজ্যৰ বান পৰিস্থিতি আজি প্ৰায় অপৰিৱৰ্তিত। যোৱা ২৪ ঘণ্টাত ১১ জন লোকৰ মৃত্যু।

২। অসমৰ বান পৰিস্থিতি সম্পৰ্কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক অৱগত কৰোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ আজি নতুন দিল্লীলৈ যাত্ৰা।

৩। বিহাৰ আৰু উত্তৰ বংগত হোৱা বানপানীৰ ফলত দেশৰ বাকী অংশৰ সৈতে উত্তৰ পূৰ্বাঞ্চলৰ ৰে'ল যোগাযোগ আজিও ব্যাহত। ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা অহা ২০ তাৰিখ পৰ্যন্ত বাতিল।

আৰু

৪। ২০০৪ চনত ধেমাজিৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানত হোৱা বোমা বিস্ফোৰণৰ ঘটনাৰ স্মৃতিত আজি সমগ্ৰ ৰাজ্যতে শোক দিৱস পালন।

০০০০০০০

ৰাজ্যখনৰ সামগ্ৰিক বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈয়ে আছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ প্ৰায়বোৰ উপনৈৰ পানী পুনৰ বাঢ়ি থকাত বিশেষকৈ উজনি অসমত বান পৰিস্থিতি আজি অধিক জটিল হৈছে। বিশেষকৈ ধেমাজি জিলাত জীয়াঢলৰ বাঢ়নী পানীয়ে কুমতীয়া বান্ধৰ গুয়ে খন্দা অংশটো উটুৱাই নিয়াত পশ্চিম ধেমাজি অঞ্চলৰ ৫৬খন গাঁও বানত বুৰ গৈছে। জীয়াঢলৰ বাঢ়নী পানীয়ে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কুমতীয়া দলঙৰ এটা মূৰ সংযোগী পথ বুৰাই পেলোৱাত সামগ্ৰিকভাৱে যাতায়াত বন্ধ হৈ পৰিছিল। ইফালে, ধেমাজি জিলাৰ বানপানীত আজি তিনিটা শিশুৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। জিলাখনৰ ২০০খন গাঁও এতিয়াও জলমগ্ন হৈ আছে। ইফালে, ঢকুৱাখনাৰ বাটমাৰীত পুঠিখাতি দলঙৰ উপ-পথেৰে চাৰি-পাঁচ ফুট ওপৰেৰে জীয়াঢলৰ পানী বাগৰাত ঢকুৱাখনা আৰু ঘিলামৰাৰ মাজত যাতায়াত ব্যৱস্থা ব্যাহত হৈছে। ফলত প্ৰশাসনে যান-বাহনৰ চলাচল বন্ধ কৰি দিছে। আমাৰ ধুবুৰীৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈয়ে আছে। জিলাখনৰ গোলকগঞ্জ, বিলাসীপাৰা ৰাজহ চক্ৰৰ ৩৫০খনৰো অধিক গাঁও এতিয়াও বানৰ কবলত আছে। অসম চৰকাৰৰ স্বাস্থ্য, কাৰিকৰী তথা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰিহণ দৈমাৰীয়ে ধুবুৰীত উপস্থিত হৈ বিলাসীপাৰা মহকুমাৰ লগতে গোলকগঞ্জ আদি অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্তসকলক প্ৰয়োজনীয় বান সাহায্য আগবঢ়াবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। দক্ষিণ শালমাৰাত আজি হেলিকপ্টাৰযোগে বানাক্ৰান্তসকলৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। আনহাতে, নদীদ্বীপ মাজুলীতো পৰিস্থিতি এতিয়াও জটিল অৱস্থাতে আছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰায় আটাইবোৰ বন শিবিৰ এলেকা প্লাৱিত হৈ থকাত বন্যপ্ৰাণীসমূহে ইতিমধ্যে ওখ ঠাইত আশ্ৰয় লৈছে। ইফালে কলিয়াবৰৰ হাতীমূৰাৰ বান্ধটো যোৱা শনিবাৰে নিশা চিগি যোৱাত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে মহকুমাতো বুৰাই পেলোৱাৰ পাছত আজি কিছু পৰিমাণে বান

পৰিস্থিতি উন্নত হৈছে। আজি বিয়লি জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই হাতীমূৰাৰ ভগ্নংপ্ৰায় বান্ধটো পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয় আৰু অতি শীঘ্ৰে মথাউৰিটো মেৰামতি কৰাৰ লগতে বানত ক্ষতিগ্ৰস্তসকলক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা সাহায্য প্ৰদান কৰা হ'ব বুলি আশ্বাস দিয়ে। নগাঁও জিলাৰ উপায়ুক্তই বানপানীৰ পৰিপ্ৰেক্ষিতত কলিয়াবৰ মহকুমাৰ শিক্ষানুষ্ঠানসমূহ আজিৰে পৰা তিনি দিনৰ বাবে বন্ধ ঘোষণা কৰিছে। ইপিনে আজি জখলাবন্ধাত এজন ব্যক্তিৰ মৃতদেহ স্থানীয় ৰাইজে উদ্ধাৰ কৰিছে। আনহাতে, নগাওঁ চহৰৰ মাজেৰে বৈ যোৱা কলং নৈৰ বাঢ়নী পানীয়ে আজি নগাঁও পৌৰসভাৰ কেতবোৰ অঞ্চলৰ দ-দ ঠাই বুৰাই পেলাইছে। আনহাতে, অসমৰ ৰাজ্যপাল বানোৱাৰিলাল পুৰোহিতে আজি মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ বান বিধবস্ত মনহা, মদনবৰী অঞ্চল ভ্ৰমণ কৰি বানাক্ৰান্ত ৰাইজৰ অভাৱ-অভিযোগৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত ৰাইজক সাক্ষাৎ কৰি সাহায্য সামগ্ৰী প্ৰদানৰ আশ্বাস দিয়ে। উল্লেখযোগ্য যে মৰিগাঁও জিলাৰ সামগ্ৰিক বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈয়ে আছে। এতিয়ালৈকে জিলাখনত সাম্প্ৰতিক বানত ৫জন লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ৪ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। পৱিতৰা অভয়াৰণ্য এতিয়াও সম্পূৰ্ণৰূপে বানত বুৰ গৈ আছে। গোৱালপাৰা জিলাৰ বান পৰিস্থিতি আজিও জটিল হৈছে আছে। এতিয়ালৈকে জিলাখনৰ ১৯০খন গাঁও বানপানীৰ কবলত পৰিছে। ইয়াৰে লক্ষ্মীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৯৯খন গাঁও সৰ্বাধিক প্লাৱিত হৈছে। সাম্প্ৰতিক বানত এতিয়ালৈকে ৩৯জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪খন জিলাৰ ৩৩ লাখতকৈও অধিক লোক ক্ষতিগ্ৰস্থ হৈছে। বৰ্তমানলৈকে ১ লাখ ৬০ হাজাৰ লোকে আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে।

ooooooo

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল আজি নতুন দিল্লীলৈ ৰাওনা হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি ৰাজ্যৰ সাম্প্ৰতিক বানত ক্ষয়-ক্ষতি হোৱাৰ সন্দৰ্ভত অৱগত কৰাৰ লগতে বানপানীৰ স্থায়ী সমাধান আৰু গৰাখহনীয়া সমস্যা ৰোধ কৰাৰ সন্দৰ্ভত আলোচনা কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী শ্ৰীমোডী ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বুজ লোৱাৰ উদ্দেশ্যে ১ আগষ্টত গুৱাহাটীলৈ অহাৰ সময়ত বানপানীৰ সমস্যা ৰোধ কৰাৰ বাবে ব্ৰহ্মপুত্ৰৰ গভীৰতা অধ্যয়নৰ বাবে ১০০ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰী শ্ৰীসোনোৱালে বান বিধবস্ত অসমৰ পৰৱৰ্তী সময়ৰ প্ৰভাৱ আৰু ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উদ্দেশ্যে এজন কেবিনেট মন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰী পৰিষদৰ এটা দলক অসমলৈ আহিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক অনুৰোধ জনাব। ৰাজ্যৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে শ্ৰীসোনোৱালে প্ৰতিবেশী ৰাজ্যৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানক জড়িত কৰাৰ বাবেও প্ৰধানমন্ত্ৰীক অনুৰোধ জনাব।

ooooooo

বিহাৰ আৰু উত্তৰ বংগত হোৱা বানপানীৰ ফলত কেইবাঠাইতো ৰেল পথ ডুব যোৱাত দেশৰ বাকী অংশৰ সৈতে উত্তৰ পূৰ্বাঞ্চলৰ ৰেল যোগাযোগ আজিও ব্যাহত হৈ আছে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ সৈতে যোগাযোগ সম্ভৱ হৈ নুঠাত ৰেল পথসমূহৰ মেৰামতিৰ কামত ব্যাঘাট জন্মিছে। অৱশ্যে বানপানীৰ ফলত বিহাৰ আৰু পশ্চিমবংগত আবদ্ধ হৈ থকা ৰেলৰ যাত্ৰীসকলক অনা-নিয়াৰ বাবে আজি গুৱাহাটী আৰু বিহাৰৰ ডালকোলাৰ মাজত দুখন বিশেষ ৰেল চলোৱাৰ ব্যৱস্থা কৰা হয়। ইফালে, ৰেলৱে বোৰ্ডে আটাইবোৰ মাণ্ডলিক ৰেলৱেক মালডা আৰু কাটিহাৰ অতিক্ৰম কৰি যোৱা ৰেলগাড়ীসমূহৰ চলাচল অহা ২০ তাৰিখ পৰ্যন্ত বাতিল কৰিবলৈ নিৰ্দেশ দিছে। ৰেলৱেৰ সূত্ৰই প্ৰকাশ কৰিছে যে কাটিহাৰ ষ্টেশ্যনত আবদ্ধ হৈ থকা ৰেল যাত্ৰীসকল মালডা ষ্টেশ্যনলৈ গৈ তাৰ পৰা ৰেল অথবা স্থলপথেদি নিজ নিজ

গন্তব্যস্থানলৈ ইতিমধ্যে ৰাওনা হৈছে। আনহাতে, বৰ্তমান গুৱাহাটী ৰে'ল ষ্টেশ্যনত ১২০ গৰাকী মান আবদ্ধ হৈ আছে বুলি উল্লেখ কৰি সূত্ৰটোৱে কয় যে এই লোকসকলক নিজ নিজ গন্তব্য স্থানলৈ পঠোৱাৰ বাবে ৰে'ল বিভাগে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লৰ যাত্ৰা অহা ২০ তাৰিখ পৰ্যন্ত বাতিল কৰিছে।

০০০০০০০

২০০৪ চনত ধেমাজি মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত স্বাধীনতা দিৱসৰ অনুষ্ঠানত হোৱা বোমা বিস্ফোৰণৰ ঘটনাক স্মৰণ কৰি ৰাজ্য চৰকাৰৰ উদ্যোগত আজি সমগ্ৰ ৰাজ্যতে শোক দিৱস পালন কৰা হয়। সন্ত্ৰাসবাদীৰ এনে দুষ্কাৰ্যৰ বিৰোধিতা কৰি ৰাজ্য চৰকাৰে প্ৰতিবছৰে আজিৰ দিনটোত শোক দিৱস পালন কৰি আহিছে। ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত ধেমাজিৰ ছহীদ স্তম্ভৰ সন্মুখত ছহীদ তৰ্পণ, সৰ্বধৰ্ম প্ৰাৰ্থনা, ৰাজহুৱা শোক সভা আৰু সন্ত্ৰাসবাদ বিৰোধী শপত-বাক্য পাঠ কৰোৱা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়সমূহতো এই দিৱস পালন কৰা হয়। দিৱসৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলক সন্ত্ৰাসবাদ বিৰোধী শপতবাক্য পাঠ কৰোৱা হয়।

কাৰ্বি আংলং জিলাতো শোক দিৱস বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ আৰু জিলা প্ৰশাসনে ৰাষ্ট্ৰীয় পতাকা অৰ্দ্ধনমিত কৰি ৰাখে।

০০০০০০০

ডিমা হাছাও জিলাত সংঘটিত দুৰ্নীতিৰ গোচৰ সন্দৰ্ভত এন-আই-এই গ্ৰেপ্তাৰ কৰা আৰ.এইছ. খানে আজি ৮ বছৰৰ পাছত কাৰাগাৰৰ পৰা আজি মুকলি আকাশৰ তললৈ আহিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে অলপতে শ্ৰীখানৰ জামিন আবেদন মঞ্জুৰ কৰিছিল।

০০০০০০০

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালে কয় যে সামাজিক মূল্যবোধক সুদৃঢ় কৰাৰ ক্ষেত্ৰত জ্যেষ্ঠ নাগৰিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আজি গুৱাহাটীৰ হেঙেৰাবাৰীত জ্যেষ্ঠ নাগৰিক পৰিষদৰ এটা কাৰ্যালয় ভৱন উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জ্যেষ্ঠ নাগৰিকসকলে মৰ্যাদা সহকাৰে জীৱন নিৰ্বাহ কৰি যাতে সমাজলৈ অৰিহণা আগবঢ়াই যাব পাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। শ্ৰীসোনোৱালে কয় যে কোনো ব্যক্তিয়ে যদি পিতৃ-মাতৃক সন্মান দিব নোখোজে আৰু জন্মদাতাক অৱহেলা কৰে তেন্তে এখন মূল্যবোধসম্পন্ন সমাজ গঢ়াটো কেতিয়াও সম্ভৱ নহয়। এই নাগৰিকসকললৈ সন্মান প্ৰদৰ্শনৰ ক্ষেত্ৰত অসমে নিদৰ্শন দাঙি ধৰিব লাগিব বুলিও তেওঁ দোহাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতি বছৰে ১ অক্টোবৰত পালন কৰি অহা আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱস এইবাৰ ৰাজ্য চৰকাৰে ৰাজ্যিক পৰ্যায়ত আয়োজন কৰিব। ৰাজ্যখনত এই দিৱস সফল কৰি তোলাৰ বাবে জ্যেষ্ঠ নাগৰিক পৰিষদক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

০০০০০০০

তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত হাহাকাটিৰ গন্ধৌইগুৰি গাঁৱত কালি নিশা এক অগ্নিকাণ্ডৰ ঘটনাত দুজন লোকৰ মৃত্যু হোৱা ঘটনাতো একাংশ নিষিদ্ধ ঘোষিত সংগঠনে চৰকাৰী নিৰাপত্তা বাহিনীয়ে ঘটোৱা বিস্ফোৰণৰ ফলত হোৱা বুলি চলোৱা অপপ্ৰচাৰক আৰক্ষী সূত্ৰই আজি নাকচ কৰিছে। আৰক্ষীয়ে এই ঘটনাতো বিদ্যুৎ চুৰি আৰু চৰ্ট চাৰ্কিটৰ ফলত হোৱা বুলি আজি এক প্ৰেছ

বিবৃতিযোগে প্ৰকাশ কৰিছে। আৰক্ষী সূত্ৰই সদৰি কৰা মতে মৃত অম্বেশ্বৰ মৰাণ নামৰ লোকজনে নিজৰ ফাৰ্ম হাউচত উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী লাইনৰ পৰা হাঁকোতা লগাই  বিদ্যুৎ চুৰি কৰি এটা টেলিভিছনত সংযোগ কৰাৰ সময়ত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈ লোকজনৰ লগতে তেওঁৰ কৰ্মচাৰী কুশ কিছান নামৰ লোকজনৰ মৃত্যু হৈছিল। ইফালে, অসম আৰক্ষীয়ে সমাজবিৰোধী চক্ৰৰ এনেধৰণৰ অপপ্ৰচাৰত ভোল নাযাবলৈ ৰাইজৰ প্ৰতি আহ্বান জনোৱাৰ লগতে বিদ্যুত চুৰিৰ দৰে কাৰ্যৰ পৰা বিৰত থাকিবলৈ ৰাইজক অনুৰোধ জনাইছে।

০০০০০০০

**সমাপ্ত**